**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-08-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে কেন্দ্ৰীয় চৰকাৰ কৃষকৰ কল্যাণৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ।

২। প্ৰধানমন্ত্ৰী মোদীয়ে জম্মু-কাশ্মীৰৰ জনসাধাৰণে চলাই থকা তিৰংগা যাত্ৰা অনুপ্ৰেৰণাদায়ক বুলি মন্তব্য কৰিছে।

৩। বিহাৰৰ জেহানাবাদ জিলাৰ বাবা সিদ্ধেশ্বৰ নাথ মন্দিৰত আজি পুৱা সংঘটিত এটা দুৰ্ঘটনাত ৭ জন তীৰ্থযাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ১৬ জন তীৰ্থযাত্ৰী আহত হৈছে।

৪। ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ পি টি উষাই ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা ঘটনা সংক্ৰান্তত ভাৰতীয় অলিম্পিক সংস্থাৰ চিকিৎসক দলটোৰ পক্ষ গ্ৰহণ কৰিছে।

আৰু

৫। হাৰিয়ানাত অহা মাহত প্ৰথম গোলকীয় মহিলাৰ কাবাডী লীগ অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে কেন্দ্ৰীয় চৰকাৰ কৃষকৰ কল্যাণৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে কৃষকসকলৰ সৈতে সাক্ষাৎ কৰাৰ তেওঁৰ স্মৰণীয় অভিজ্ঞতা আছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীয়ে কালি নতুন দিল্লীৰ কৃষি গৱেষণা প্ৰতিষ্ঠানত ১০৯ টা উচ্চ উৎপাদনক্ষম শস্যৰ জাত মুকলি কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৈছে যে জম্মু-কাশ্মীৰৰ জনসাধাৰণে চলাই থকা তিৰংগা যাত্ৰা অনুপ্ৰেৰণাদায়ক। প্ৰধানমন্ত্ৰীয়ে হৰ ঘৰ তিৰংগা অভিযানৰ প্ৰচাৰৰ বাবে জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্‌হাই গ্ৰহণ কৰা পদক্ষেপক প্ৰশংসা কৰে।

০০০০০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আবকাৰী নীতি কেলেংকাৰীত চিবিআইৰ গ্ৰেপ্তাৰক সমৰ্থন কৰা দিল্লী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছে। জ্যেষ্ঠ অধিবক্তা অভিষেক মনু সিংভীয়ে জৰুৰী তালিকাভুক্তিৰ বাবে ভাৰতৰ মুখ্য ন্যায়াধীশৰ সন্মুখত আজি এই কথা উল্লেখ কৰে। ইয়াৰ উত্তৰত মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে কয় যে ই-মেইলৰ অনুৰোধ পৰীক্ষা কৰাৰ পিছত শুনানিৰ দিন ঘোষণা কৰা হ'ব। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ে বিধি বলৱৎকাৰী সঞ্চালকালয়ে দাখিল কৰা এক গোচৰত কেজৰিৱালক জামিন প্ৰদান কৰিছিল।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হস্তী দিৱস উপলক্ষে হাতীৰ সুৰক্ষাৰ বাবে লোৱা পদক্ষেপসমূহৰ প্ৰশংসা কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে হাতী আমাৰ সংস্কৃতি আৰু ইতিহাসৰ সৈতে জড়িত হৈ আছে। তেওঁ হাতীৰ অনুকুল বাসস্থান নিশ্চিত কৰিবলৈ সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণৰ বাবে কৰা প্ৰতিশ্ৰুতি পুনৰবাৰ উল্লেখ কৰে। শ্ৰী মোদীয়ে যোৱা কেইটামান বছৰত হাতীৰ সংখ্যা বৃদ্ধি পোৱাত আনন্দ প্ৰকাশ কৰে।

০০০০০০০০০

বিহাৰৰ জেহানাবাদ জিলাৰ বাবা সিদ্ধেশ্বৰ নাথ মন্দিৰত আজি পুৱা সংঘটিত এটা দুৰ্ঘটনাত পদপিষ্ট হৈ ৭ জন তীৰ্থযাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ১৬ জন তীৰ্থযাত্ৰী আহত হৈছে। জেহানাবাদৰ আৰক্ষী অধীক্ষক অৰবিন্দ প্ৰসাদ সিঙে কয় যে নিশা প্ৰায় ১ বজাত স্থানীয় কিছুসংখ্যক বিক্ৰেতা আৰু তীৰ্থযাত্ৰীৰ মাজত কোনো প্ৰসংগ লৈ সংঘটিত বিবাদৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়। তেওঁ কয় যে মন্দিৰটো অতি ঠেক স্থানত থকা বাবেই ভিৰ নিয়ন্ত্ৰণ কৰা কঠিন হৈ পৰে। পৱিত্ৰ শাওণ মাহৰ সোমবাৰে মখডামপুৰৰ বনোৱাৰ পাহাৰত অৱস্থিত ভগৱান শিৱৰ মূৰ্তিত জলাভিষেক প্ৰত্যক্ষ কৰাৰ উদ্দেশ্যে বহুসংখ্যক তীৰ্থযাত্ৰীৰ বাবা সিদ্ধেশ্বৰ নাথ মন্দিৰত সমাগম হৈছিল। শ্ৰী সিঙে কয় যে আহতসকলক জেহানাবাদ সদৰ হাস্পতালত ভৰ্তি কৰোৱা হৈছে। তেওঁ কয় যে এই ঘটনাৰ বাবে দায়ী লোকসকলৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে এই ঘটনাত নিহত লোকসকলৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে মৃতকসকলৰ পৰিয়াললৈ ৪ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ লগতে আহতসকলৰ প্ৰতিগৰাকীলৈ ৫০ হাজাৰ টকাৰ সাহায্য ঘোষণা কৰে।

০০০০০০০০০

অসমত ৰাজ্যসভাৰ দুখনকৈ আসন খালী হোৱাৰ পৰিপ্ৰেক্ষিতত আজি গুৱাহাটী মহানগৰীৰ কইনাধৰা ৰাজ্যিক অতিথিশালাত ৰাজ্যিক বিজেপিৰ নিৰ্বাচনী সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, প্ৰভাৰী হৰিশ দ্বিবেদীকে ধৰি নিৰ্বাচনী সমিতিৰ অন্যান্য সদস্যসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত এই আসন দুখন সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ অন্তত ৰাজ্যিক সভাপতি ভবেশ কলিতাই সংবাদ মাধ্যমৰ আগত জনায় যে ৰাজ্য সভাৰ দুয়োখন আসনৰ বাবে ১০ গৰাকী প্ৰাৰ্থীয়ে আবেদন জনাইছে। ৰাজ্য সভাৰ আসন দুখনৰ বাবে প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় সমিতি আৰু সংসদীয় ব'ৰ্ডে সিদ্ধান্ত ল'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ পি টি ঊষাই ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা ঘটনা সংক্ৰান্তত ভাৰতীয় অলিম্পিক সংস্থাৰ চিকিৎসক দলটোৰ পক্ষ গ্ৰহণ কৰিছে। পেৰিছ অলিম্পিকত ভাৰতীয় মল্লযোদ্ধা ৱিনেশ ফোগটক মহিলাৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলৰ পৰা অযোগ্য ঘোষণা কৰাৰ বাবে ভাৰতীয় দলৰ মুখ্য চিকিৎসা বিষয়া ডাঃ ডিনশ্ব' পাৰ্ডিৱালাক জগৰীয়া কৰা উচিত নহয় বুলি কয়। ভাৰতীয় অলিম্পিক সংস্থাই কালি এটা বিবৃতিযোগে কয় যে মল্লযুদ্ধ, বক্সিং আৰু জুডোৰ নিচিনা সমৰ ক্ৰীড়াত ওজন ব্যৱস্থাপনাৰ দায়িত্ব প্ৰতিগৰাকী খেলুৱৈ আৰু তেওঁলোকৰ ব্যক্তিগত

প্ৰশিক্ষক দলৰ ওপৰত থাকে। সংস্থাই স্পষ্ট কৰি দিয়ে যে ডাঃ পাৰ্ডিৱালাৰ প্ৰাথমিক ভূমিকা আছিল খেলুৱৈসকলৰ প্ৰতিযোগিতাৰ সময়ত আৰু পাছত তেওঁলোকৰ আৰোগ্য লাভ আৰু আঘাত ব্যৱস্থাপনাত সহায় কৰা। উল্লেখযোগ্য যে ৱিনেশ ফোগটক মল্লযুদ্ধৰ ৫০ কিলোগ্ৰাম ওজন শাখাত নিৰ্দিষ্ট ওজন ১০০ গ্ৰাম অতিক্ৰম কৰাৰ বাবে অযোগ্য ঘোষণা কৰা হৈছে। পাছত তেওঁ এই সিদ্ধান্তৰ বিৰুদ্ধে Court of Arbitration for Sport-ত আবেদন জনায় আৰু ৫০ কিলোগ্ৰাম ওজন শাখাত যৌথ ৰূপৰ পদকৰ বাবে দাবী জনায়। কাইলৈ চূড়ান্ত ৰায় ঘোষণা কৰাৰ সম্ভাৱনা আছে।

০০০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্‌লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **দুৰ্যোগৰ সময়ত নিৰাপদে থকাৰ উপায়** সন্দৰ্ভত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সদস্য কৃষ্ণ এছ বৎস আৰু নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বেদিক প্ৰতিষ্ঠানৰ জে পি এন এ ট্ৰ'মা চেণ্টাৰৰ মুৰব্বী ড০ কামৰান ফাৰুকৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি দুৰ্যোগৰ সময়ত নিৰাপদে থকাৰ বিভিন্ন উপায় সম্পৰ্কে বিশেষজ্ঞ দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে লগতে ৱাটছ্‌এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০০

ষ্টেড দি ফ্ৰান্সত যোৱানিশা বৰ্ণাঢ্য কাৰ্যসূচীৰে পেৰিছ অলিম্পিক, ২০২৪-ৰ অন্ত পৰে। ভাৰতে এইবাৰৰ অলিম্পিকত এটা ৰূপ আৰু ৫টা ব্ৰঞ্জসহ মুঠ ৬টা পদক লাভ কৰি ৭১ সংখ্যক স্থানত থাকে। ইয়াৰ পূৰ্বে ২০২০ৰ টকিঅ' অলিম্পিকত ভাৰত এটা সোণ, দুটা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ৭টা পদকেৰে ৪৮ সংখ্যক স্থানত আছিল। পেৰিছ অলিম্পিকৰ কালি শেষৰ দিনা নেডাৰলেণ্ডছৰ ছিফান হাছানে মহিলাৰ মাৰাথনত সোণৰ পদক অৰ্জন কৰে। ৩১ বছৰীয়া এথলিটগৰাকীয়ে ইয়াৰ দুদিন পূৰ্বে ১০ হাজাৰ মিটাৰত আৰু ছদিন পূৰ্বে ৫ হাজাৰ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। এইবাৰৰ অলিম্পিকত আমেৰিকা যুক্তৰাষ্ট্ৰই ৪০টা সোণৰ পদকসহ মুঠ ১২৬টা পদকেৰে প্ৰথম স্থানত থাকে। আনহাতে চীনে ৪০টা সোণৰ পদকসহ মুঠ ৯১টা পদকেৰে দ্বিতীয় স্থানত থকাৰ বিপৰীতে জাপানে ২০টা সোণসহ মুঠ ৪৫টা পদকেৰে তৃতীয় আৰু অষ্ট্ৰেলিয়াই ১৮টা সোণসহ মুঠ ৫৩টা পদকেৰে চতুৰ্থ স্থান দখল কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে ২০২৮ চনত গ্ৰীষ্ম অলিম্পিক লছ এঞ্জেলছত অনুষ্ঠিত হ'ব। ১৯৩২ আৰু ১৯৮৪ চনৰ পাছত লছ এঞ্জেলছে তৃতীয়বাৰৰ বাবে গ্ৰীষ্ম অলিম্পিকৰ আয়োজন কৰিছে। লছ এঞ্জেলছত অনুষ্ঠিত হ'বলগীয়া অলিম্পিকত নতুনকৈ ফ্লেগ ফুটবল, ক্ৰিকেট, লেক্ৰচ আৰু স্কোৱাচ সংযোজন কৰা হৈছে।

পেৰিছ অলিম্পিকৰ সামৰণি অনুষ্ঠানত ভাষণ দি পেৰিছ ২০২৪ৰ সভাপতি টনি এষ্টাং কুৱেটে সকলো খেলুৱৈ তথা প্ৰায় ৪৫,০০০ স্বেচ্ছাসেৱক, আয়োজক আৰু সমিতিক ধন্যবাদ জ্ঞাপন কৰে। আনহাতে, আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ সভাপতি থমাছ বাচে এই গেমছক সফল বুলি অভিহিত কৰি অলিম্পিকৰ পতাকা লছ এঞ্জেলছৰ মেয়ৰ কেৰেন বেছৰ হাতত অৰ্পণ কৰে।

০০০০০০০

হাৰিয়ানাত অহা মাহত প্ৰথম গোলকীয় মহিলাৰ কাবাডী লীগ অনুষ্ঠিত হ'ব। গোলকীয় প্ৰবাসী মহিলাৰ কাবাডী লীগ হিচাপে পৰিচিত এই খেলত এইবাৰ ১৫ খন দেশৰ মহিলা এথলিটসকলে অংশগ্ৰহণ কৰিব। কাবাডী খেলক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ কৰা, এই খেলবিধক অলিম্পিকত অন্তৰ্ভুক্ত কৰাৰ প্ৰচেষ্টাক সমৰ্থন কৰা তথা ২০৩৬ৰ অলিম্পিক আয়োজনৰ ক্ষেত্ৰত ভাৰতৰ দাবীক শক্তিশালী কৰাৰ ক্ষেত্ৰত এই প্ৰতিযোগিতাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বিশ্ব কাবাডীৰ সহযোগত হলিষ্টিক আন্তঃৰাষ্ট্ৰীয় প্ৰবাসী ক্ৰীড়া সন্থা, HIPSAই আয়োজন কৰা এই লীগৰ উদ্বোধনী খেল হাৰিয়ানাত অনুষ্ঠিত হ'ব। শেহতীয়াকৈ হাৰিয়ানা চৰকাৰ আৰু HIPSAৰ মাজত এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই প্ৰতিযোগিতাত ইংলেণ্ড, পোলেণ্ড, আৰ্জেণ্টিনা আৰু ইটালীকে ধৰি বিভিন্ন দেশে অংশগ্ৰহণ কৰিব। দেশৰ পূৰ্বৰ ক্ৰীড়া মন্ত্ৰী কিৰেন ৰিজিজুৱে অলিম্পিকত কাবাডীৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়াইছে। ভাৰতে ২০৩৬ৰ অলিম্পিক খেল অনুষ্ঠিত কৰাৰ লক্ষ্য পূৰ হ'লে অলিম্পিকত কাবাডী খেলৰ অন্তৰ্ভুক্তি এটা উল্লেখনীয় সাফল্যত পৰিণত হ'ব।

ooooooooo

**সমাপ্ত**